# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-03-2024
**Time :** 17-15 Hrs.

## ASSAMESE REGIONAL BULLETIN

::::::::::::::::::::::::::::::::::::::

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা লালকৃষ্ণ আদৱানীক দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন প্ৰদান কৰে। ৰাষ্ট্ৰপতিয়ে বৰ্ষিয়ান নেতাগৰাকীৰ বাসগৃহলৈ গৈ তেওঁক এই সন্মানেৰে বিভূষিত কৰে। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰাক্তন উপৰাষ্ট্ৰপতি এম ভেংকেয়া নাইডু, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ সভাপতি জে পি নাড্ডা আৰু আদৱানীৰ পৰিয়ালৰ সদস্যসকল এই অনুষ্ঠানত উপস্থিত থাকে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, ভাৰতীয় ৰাজনীতিত লালকৃষ্ণ আদৱানীয়ে ৭ দশকৰো অধিক সময় ধৰি অদম্য নিষ্ঠা আৰু অসাধাৰণ দক্ষতাৰে দেশৰ সেৱা কৰি আহিছে।

উল্লেখযোগ্য যে, ৰাষ্ট্ৰপতিয়ে কালি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আয়োজিত বিশেষ অনুষ্ঠানত প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধৰী চৰণ সিং আৰু পি ভি নৰসিমহা ৰাওৰ লগতে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কৰ্পুৰী ঠাকুৰ আৰু যশস্বী বিজ্ঞানী এম এছ স্বামীনাথনক মৰণোত্তৰভাৱে ভাৰতৰত্ন সন্মানেৰে বিভূষিত কৰে।

০০০০

অসমৰ ১২ বিধ সামগ্ৰীয়ে ভৌগোলিক সূচাংক অৰ্থাৎ জি আই টেগ লাভ কৰিছে। সৰ্থেবাৰীৰ ঐতিহ্যমণ্ডিত কাঁহ শিল্প, অসমৰ বিহু ঢোল, জাপি, মিচিং হস্ত-তাঁত সামগ্ৰী, পানী মেটেকা শিল্প আৰু আশাৰীকান্দিৰ পোৰামাটিৰ শিল্পক জি আই টেগ প্ৰদান কৰা হৈছে। ইয়াৰ লগতে জথা, গগণা, খাম, চেৰচা আৰু চিফুঙেও জি আই টেগ লাভ কৰিবলৈ সমৰ্থ হৈছে। বড়ো কৃষিভিত্তিক সামগ্ৰী খাৰদ্বিয়েও এই টেগ লাভ কৰিছে। জি আই টেগ লাভ কৰাৰ পাছতে সৰ্থেবাৰীৰ কাঁহ শিল্পৰ সৈতে জড়িত লোকসকল উৎফুল্লিত হৈ পৰিছে। অসম সমবায় কঁহাৰ সংস্থাৰ সম্পাদক তথা কাঁহ শিল্পী মনোজ কুমাৰ ভূঞাই কয় যে, ১২ বছৰৰ চেষ্টাৰ অন্তত লাভ কৰা এই স্বীকৃতি কাঁহ শিল্পক সুৰক্ষা প্ৰদান কৰিব। উল্লেখযোগ্য যে, জি আই স্বীকৃতি নথকাৰ ফলত নকল কাঁহৰ সামগ্ৰীয়ে বজাৰ দখল কৰাত এই শিল্পটোৰ সৈতে জড়িত লোকসকল প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। শেহতীয়াকৈ লাভ কৰা এই স্বীকৃতিয়ে সামগ্ৰীসমূহৰ বজাৰ মূল্য সুৰক্ষিত কৰাত সহায় হ'ব বুলি আশা কৰা হৈছে।

০০০০

সমাগত লোকসভা নিৰ্বাচন শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰিবলৈ ৰাজ্যৰ জিলা প্ৰশাসনসমূহে কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিছে। তৃতীয় লিংগৰ ভোটাৰক ভোটাধিকাৰ সাব্যস্ত কৰাৰ সুবিধা প্ৰদান কৰাৰ লক্ষ্যৰে কাৰ্বি আংলং জিলাৰ  ডিফুৰ জিলা আয়ুক্ত কাৰ্যালয়ত বিশেষ সভা অনুষ্ঠিত হয়। সভাত নিৰ্বাচনী জিলাৰ ৰিটাৰ্ণিং বিষয়াগৰাকীয়ে জিলাখনৰ ১৯ গৰাকী তৃতীয় লিংগৰ ভোটাৰৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰত পৃথক শাৰী ৰখা হ'ব বুলি জনাইছে। তেওঁ লগতে তৃতীয় লিংগৰ ভোটাৰসকলক ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ সভাৰ জৰিয়তে আহ্বান জনায়।

ভোটদানৰ সজাগতা সৃষ্টিৰ লক্ষ্যৰে প্ৰণালীবদ্ধ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ প্ৰকল্পৰ অধীনত আজি শিৱসাগৰ জিলাত মেহেন্দী অংকন প্ৰতিযোগিতা আয়োজন কৰা হয়। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত এই প্ৰতিযোগিতাত জিলাখনৰ দাঁতিকাষৰীয়া অঞ্চলৰ ভালেসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাৰ বিষয়বস্তু আছিল নিৰ্বাচন, ভোটদান আৰু ভোটাৰ সজাগতা।

০০০০

বিগত বছৰৰ দৰে আজি কামৰূপ জিলা দিৱস দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আমিনগাঁৱৰ সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চৌহদত থকা বীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰা হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি কামৰূপ জিলাৰ ঐতিহাসিক পটভূমি আৰু কামৰূপ জিলাৰ পৰ্যটন বিষয়ৰ ওপৰত আলোকপাত কৰা হয়। তদুপৰি জিলা দিৱসৰ কাৰ্যসূচীত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদান প্ৰক্ৰিয়াত জনসাধাৰণৰ অংশগ্ৰহণৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে শুংভকৰ আৰু সংগীত উন্মোচনৰ লগতে ব্ৰেণ্ড এম্বেছেডৰৰ পৰিচয় আৰু সম্বৰ্ধনা পৰ্বও অনুষ্ঠিত হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি দৰ্শকৰ মাজত মুকলি কুইজ প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগতে জিলা পৰিবহণ বিভাগৰ উদ্যোগত পথ সুৰক্ষাৰ ওপৰত সজাগতা সৃষ্টিৰ বাবে বাটৰ নাটৰো আয়োজন কৰা হৈছে। ইয়াৰ লগতে আয়ুক্ত কাৰ্যালয়ৰ পৰা পচৰীয়াৰ আলবৈ ৰণ স্মৃতি ক্ষেত্ৰলৈ শিক্ষাৰ্থীৰ চাইকেল ৰেলী উলিওৱা হয়।

০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে নিজৰ নিজৰ প্ৰাৰ্থীসকলক জয়ী কৰোৱাৰ লক্ষ্যৰে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। বিত্তমন্ত্ৰী অজন্তা নেওগে আজি কাজিৰঙা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ গোলাঘাট জিলাৰ মেৰাপানীৰ কেইবাখনো গাঁও পঞ্চায়তত প্ৰচাৰ চলায়। তেওঁ মেৰাপানী, তৰাণি, অৰুণাচল, চাওদাং পথাৰ, আদৰ্শ গমাৰী আৰু দৈয়াং গাঁও পঞ্চায়তত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ইপিনে, শ্ৰী তাছাৰ হৈ বিধায়ক বিশ্বজিৎ ফুকনে গোলাঘাটৰ নাহৰণি অঞ্চলত কেইবাখনো নিৰ্বাচনী সভাত প্ৰচাৰ চলায়।

একেদৰে কোকৰাঝাৰ লোকসভা সমষ্টিৰ অবড়ো সুৰক্ষা সমিতি বিটিএডি অসমৰ প্ৰাৰ্থী জোন দাসে বাক্সা জিলাৰ বিভিন্ন স্থানত প্ৰচাৰ চলায়।

০০০০

ঃঃ সমাপ্ত ঃঃ